# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-08-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

বিটিচি পৰিষদীয় নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। ইতিমধ্যে শাসক-বিৰোধী সকলো দলেই নিজৰ দলীয় ভেটি শক্তিশালী কৰাৰ বাবে বিভিন্ন স্থানত সভা অনুষ্ঠিত কৰি আহিছে। আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ওৰাং আৰু ওদালগুৰিত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰে। বিটিচি পৰিষদীয় নিৰ্বাচনত বিজয় সাব্যস্ত কৰাৰ লক্ষ্যৰে ড০ শৰ্মাই ওদালগুৰি জিলাৰ সদৰত আৰু ওৰাং চাহ বাগিচাত দুখনকৈ সভাত অংশগ্ৰহণ কৰি দলীয় কাৰ্যকৰ্তাসকলৰ সৈতে মত বিনিময় কৰে। এইবাৰৰ নিৰ্বাচন বিটিআৰৰ ৰাইজৰ বাবে সমস্যাবিহীন, বিকশিত আৰু প্ৰগতিশীল বিটিআৰ গঢ়িবলৈ এটা সুবৰ্ণ সুযোগ বুলি বিজেপি জ্যেষ্ঠ নেতাগৰাকীয়ে মন্তব্য কৰে। ৰৌতা, পাঁচনৈ চেৰফাং, ধনশিৰি আৰু ভৈৰৱকুণ্ড সমষ্টিৰ দলীয় কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰি ড০ শৰ্মাই এই মাহৰ তৃতীয় সপ্তাহত পৰিষদীয় নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব বুলি আৰু ছেপ্তেম্বৰ মাহৰ দুৰ্গা পূজাৰ আগে আগে নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি উল্লেখ কৰে।

কালি বিজনীত বিজনী জিলা বিপিএফৰ উদ্যোগত আশীৰ্বাদ যাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই উপলক্ষে উলিওৱা সমদলত বিজনী বিধানসভা সমষ্টিৰ অন্তৰ্গত সুবাইঝাৰ, মানস চেৰফাং আৰু থুৰিবাৰী ব্লক বি পি এফৰ কেইবাহাজাৰ সমৰ্থকে অংশগ্ৰহণ কৰে।

একেদৰে কংগ্ৰেছ দলেও বিটিচিৰ পৰিষদীয় নিৰ্বাচনে সামৰি লোৱা জিলাসমূহত নিৰ্বাচনী কুচকাৱাজ আৰম্ভ কৰা পৰিলক্ষিত হৈছে। বাক্সা জিলাত কালি শালবাৰী পৰিষদীয় সমষ্টিৰ ছলিকান্দাত বিটিচি পৰিষদীয় নিৰ্বাচন প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে অংশগ্ৰহণ কৰে।

০০০০০

অসমীয়া সমাজত পবিত্ৰ মাহ হিচাপে পৰিগণিত ভাদ মাহৰ আজি পহিলা দিন উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ আৰু নামঘৰসমূহ ভকত-বৈষ্ণৱ আৰু আয়তীসকলৰ হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শ্ৰীকৃষ্ণৰ জন্মোৎসৱ আৰু মহাপুৰুষ দুজনাৰ পূণ্য তিথি পালন কৰা এই পবিত্ৰ মাহটোত হৰিনামৰ ধ্বনিয়ে আধ্যাত্মিক চিন্তা-চেতনাৰে আমাৰ উজ্জীৱিত কৰি ৰাখে বুলি মন্তব্য কৰে। ড০ শৰ্মাই পহিলা ভাদৰ দিনটোত ৰাজ্যবাসীলৈ শুভেচ্ছা যাঁচি অসমীয়া সমাজৰ শান্তি-সম্প্ৰীতি অক্ষুণ্ণ ৰখাৰ কামনা কৰে।

অসমীয়া বৈষ্ণৱ সমাজত বিশেষ তাৎপৰ্য বহন কৰা এই মাহজুৰি ৰাজ্যৰ সত্ৰ আৰু নামঘৰসমূহত নাম প্ৰসংগ অনুষ্ঠিত হয়। সত্ৰীয়া সংস্কৃতিৰ পীঠস্থান মাজুলীৰ সত্ৰ নামঘৰসমূহ আজি পহিলা ভাদ উপলক্ষে নাম-প্ৰসংগ, বৰগীত, গুণমালা-কীৰ্তন আৰু হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰে। জিলাখনৰ ৩৩ খন সত্ৰ আৰু প্ৰায় তিনি শতাধিক

নামঘৰত আজিৰে পৰা মাহজোৰা নামকীৰ্তনৰ আয়োজন কৰা হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মভূমি বটদ্ৰৱা থানতো  ভাদ মাহ উপলক্ষে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। একেদৰে বৰপেটাৰ কীৰ্তন ঘৰ, যোৰহাট জিলাৰ টীয়কৰ ঐতিহাসিক শ্ৰীশ্ৰীমাধৱদেৱ প্ৰতিষ্ঠিত ঢেকীয়াখোৱা নামঘৰ, মহাপুৰুষ শংকৰদেৱ তিৰোভাৱ ক্ষেত্ৰ কোচবিহাৰৰ মধুপুৰ সত্ৰ, ধুবুৰীৰ ঐতিহ্যমণ্ডিত ৰামৰায়কুটি, মহাপুৰুষ মাধৱদেৱৰ জন্মস্থান নাৰায়ণপুৰৰ লেটেকুপুখুৰীতো আজিৰে পৰা পৱিত্ৰ ভাদ মাহৰ চাৰি প্ৰসংগীয়া নাম আয়োজন কৰা হৈছে। ভাদ মাহ উপলক্ষে ঢেকীয়াখোৱা নামঘৰত অগণন ভক্তক আদৰিবৰ বাবে নামঘৰ পৰিচালনা সমিতি সাজু হৈ উঠিছে। তদুপৰি ভক্তসকলৰ সুবিধাৰ বাবে জিলা প্ৰশাসন আৰু আৰক্ষীৰ লগতে স্বেচ্ছাসেৱীসকলে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটী মহানগৰীৰ শিলপুখুৰী মহিলা নামঘৰ, আমবাৰীৰ গোপাল কৃষ্ণ নামঘৰ, নুনমাটিৰ শংকৰী কৃষ্টি নামঘৰকে ধৰি বিভিন্ন ৰাজহুৱা নামঘৰসমূহতো ভক্তপ্ৰাণ ৰাইজে ভাদ মাহৰ নাম পৰিৱেশন কৰিছে।

ooooo

বিশিষ্ট সাহিত্যিক, চলচ্চিত্ৰ পৰিচালক, অভিনেতা আৰু ৰাজ্যৰ প্ৰাক্তন মন্ত্ৰী লক্ষ্যধৰ চৌধুৰীৰ পূণ্য তিথি উপলক্ষে আজি শ্ৰদ্ধা নিবেদন কৰা হৈছে। স্বাধীনতা সংগ্ৰামী আৰু সুবক্তা চৌধুৰীয়ে ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। ১৯৬৭ চনত অসম বিধানসভালৈ চৌধুৰীয়ে ১৯৭৮ চনত পুনৰ বিধায়ক হিচাপে নিৰ্বাচিত হৈ ৰাজ্যৰ শিক্ষা আৰু সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিছিল। ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্ৰত জাগৰণৰ সূচনা কৰাত অগ্ৰণী ভূমিকা লোৱা চৌধুৰী শৈশৱৰে পৰা নাট্যাভিনয়ৰ সৈতে জড়িত আছিল। কেইবাখনো নাটক ৰচনা কৰা লক্ষ্যধৰ চৌধুৰীয়ে একলব্য, নিমিলা অংক, ঠিকনা ইত্যাদি নাট্য সংকলন অনুভৱ, মানুহ বিচাৰিকে ধৰি কেইবাখনো গ্ৰন্থৰে অসমীয়া সাহিত্যলৈ অৱদান আগবঢ়াই গৈছে। অসম সাহিত্য সভাৰ গোৱেশ্বৰ অধিৱেশনৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰা চৌধুৰীয়ে ১৯৫৫ চনত মুক্তিপ্ৰাপ্ত নিমিলা অংক আৰু ১৯৪৭ চনত মুক্তিলাভ কৰা বদন বৰফুকন চলচ্চিত্ৰত অভিনয় কৰিছিল। ১৯৬১ চনত মুক্তিলাভ কৰা লাচিত বৰফুকন চলচ্চিত্ৰখন তেওঁ প্ৰবীণ ফুকনৰ সৈতে যুটীয়াভাৱে পৰিচালনা কৰিছিল। নিমিলা অংক ছবিখনো তেওঁ পৰিচালনা কৰিছিল। ৰসিকতা আৰু বাগ্মিতা গুণৰ বাবে অগণন লোকৰ প্ৰিয়ভাজন হোৱা চৌধুৰীৰ পূণ্য তিথিত আজি বহুলোকে শ্ৰদ্ধা নিবেদন কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি তেওঁৰ মৃত্যু তিথি উপলক্ষে শ্ৰদ্ধা নিবেদন কৰি দিয়া এটা বাৰ্তাত অসমৰ সাহিত্য, সংস্কৃতি আৰু সমাজ জীৱনত লক্ষ্যধৰ চৌধুৰীৰ অৱদান অনন্য বুলি অভিহিত কৰে। তেওঁৰ বহুমুখী প্ৰতিভাই অসমৰ কেইবাটাও ক্ষেত্ৰলৈ বৰঙণি আগবঢ়াই গৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

ooooo

কেন্দ্ৰীয় চৰকাৰে পদ্মশ্ৰী সন্মানেৰে সন্মানিত খ্যাতনামা অস্থিৰোগ বিশেষজ্ঞ ডাঃ বি কে এছ সঞ্জয়ক এইমছ গুৱাহাটীৰ অধ্যক্ষ হিচাপে মনোনীত কৰিছে। ডাঃ সঞ্জয় এগৰাকী প্ৰখ্যাত অস্থিৰোগ বিশেষজ্ঞ হোৱাৰ উপৰি গৱেষক, শিক্ষাবিদ, লেখক, সুবক্তা, কবি আৰু সমাজকৰ্মী হিচাপেও খ্যাতি অৰ্জন কৰিছে। কেইবাটাও জটিল অস্ত্ৰোপচাৰ, চিকিৎসা বিষয়ক গৱেষণা আৰু সামাজিক ক্ষেত্ৰত কৃতিত্বৰ বাবে তেওঁৰ নাম গীনিজ বুক অব ৱৰ্ল্ড ৰেকৰ্ডছতো অন্তৰ্ভুক্ত হৈছে। উল্লেখযোগ্য যে দেশৰ চিকিৎসা, শিক্ষা আৰু গৱেষণাৰ ক্ষেত্ৰত এইমছ অগ্ৰণী প্ৰতিষ্ঠান হিচাপে পৰিগণিত হৈছে। ২০১৭ চনৰ ২৬ মে'ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আধাৰশিলা স্থাপন কৰা এইমছ

গুৱাহাটীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণক গুণগত মান সম্পন্ন স্বাস্থ্য সেৱা আৰু চিকিৎসা সেৱাৰ উপৰি শিক্ষাৰ্থীসকলক গৱেষণাৰ সুবিধা প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

ooooo

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী কোকৰাডাঙাত ব্ৰহ্মপুত্ৰৰ খহনিয়াই ব্যাপক ৰূপ ধাৰণ কৰিছে। বিগত এমাহ ধৰি অঞ্চলটোত খহনিয়াৰ সমস্যা চলি থকাৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে অঞ্চলটোৰ পৰা সাধাৰণ লোকসকলক আঁতৰি যাবলৈ আহ্বান জনাইছে। কাইলৈ এই সমস্যাৰ স্থায়ী সমাধানৰ বাবে জলসম্পদ বিভাগৰ এটা দল কোকৰাডাঙালৈ আহিব বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে।

ooooo

সমাপ্ত